# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-07-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - - - - - - - - -**

## *HEADLINES*

১। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ আজি লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট দাখিল। বাজেটত ৩ লাখ টকা পৰ্যন্ত কৰ ৰেহাই ঘোষণা।

২। অসম আৰু ছিকিমসহ কেইবাখনো ৰাজ্যলৈ বান ব্যৱস্থাপনা প্ৰকল্পৰ সমৰ্থনত আৰ্থিক অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ।

৩। সদনত দাখিল হোৱা কেন্দ্ৰীয় বাজেটখনে সৰ্বাত্মক বিকাশ আৰু সমাজৰ সকলো স্তৰৰ লোকক উপকৃত কৰি বিকশিত ভাৰতৰ ভেটি নিৰ্মাণ কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

৪। বাজেটত মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ আৰু কৰ্ম সংস্থাপন সৃষ্টিৰ বিষয়ে কোনো কথা উল্লেখ কৰা হোৱা নাই বুলি বিৰোধীৰ অভিযোগ। **আৰু**

৫। মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত আজি ভাৰত নেপালৰ মুখামুখি।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট দাখিল কৰে। এই বাজেটত সকলোৰে বাবে সুযোগ সৃষ্টিৰ উদ্দেশ্যে ৯টা অগ্ৰাধিকাৰৰ কথা উল্লেখ কৰা হৈছে। এই অগ্ৰাধিকাৰসমূহ হৈছে – উৎপাদনশীলতা আৰু কৃষিৰ স্থিতিস্থাপকতা, কৰ্ম সংস্থাপন আৰু দক্ষতাৰ বিকাশ, সৰ্বাত্মক মানৱ সম্পদ উন্নয়ন আৰু সামাজিক ন্যায়, নিৰ্মাণ আৰু সেৱা, নগৰ উন্নয়ন, শক্তি সুৰক্ষা, আন্তঃগাঁথনি, উদ্ভাৱন, গৱেষণা আৰু উন্নয়ন তথা পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ।

বাজেট দাখিল কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কৃষি, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ, নিৰ্মাণ তথা আন্তঃগাঁথনি খণ্ডৰ বাবে ভালেমান পদক্ষেপৰ কথা ঘোষণা কৰে। শ্ৰীমতী সীতাৰমনে প্ৰধানমন্ত্ৰীৰ কৰ্ম সংস্থাপন আৰু দক্ষতা বিকাশ পেকেজৰ বিষয়ে ঘোষণা কৰে। এই পেকেজৰ অধীনত কৰ্ম সংস্থাপনৰ সৈতে জড়িত উদ্গনিমূলক ধনৰাশি প্ৰদানৰ তিনিখন আঁচনিৰ কথা মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। প্ৰথমখন আঁচনিৰ অধীনত সকলো আনুষ্ঠানিক খণ্ডৰ কৰ্ম শক্তি হিচাপে যোগদান কৰা সকলো নতুন ব্যক্তিক এমাহৰ দৰমহা প্ৰদান কৰা হ'ব। দ্বিতীয়খন আঁচনিৰ জৰিয়তে নিৰ্মাণ খণ্ডত কৰ্ম সংস্থাপন সৃষ্টি কৰা হ'ব আৰু তৃতীয়খন আঁচনিৰ জৰিয়তে নিয়োগকৰ্তাসকলক সহায় আগবঢ়োৱা হ'ব। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে দেশত শক্তিশালী আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে যথেষ্ট বিনিয়োগ কৰা হৈছে। আন্তঃগাঁথনি উন্নয়নৰ বাবে মূলধনী ব্যয়ৰ বাবদ ১১ লাখ কোটিৰো অধিক টকা আবণ্টন

দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই ধন দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ৩ দশমিক ৪ শতাংশ। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহকো আন্তঃগাঁথনি উন্নয়নৰ বাবে এনেধৰণৰ উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিবলৈ উৎসাহ যোগাইছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমতী সীতাৰমনে লগতে মহিলা আৰু শিশুৰ উপকাৰ সাধন কৰা বিভিন্ন আঁচনিৰ বাবে ৩ লাখ কোটিৰো অধিক টকাৰ প্ৰস্তাৱ দিয়ে। বাজেট ভাষণত বিত্তমন্ত্ৰীয়ে বিহাৰৰ বাবে ৪১ হাজাৰ কোটি, অন্ধ্ৰপ্ৰদেশলৈ  ১৫ হাজাৰ কোটি টকাৰ সাহায্য প্ৰদানৰ বিষয়ে ঘোষণা কৰে। তেওঁ কয় যে বিহাৰৰ নতুন বিমান বন্দৰ, চিকিৎসা মহাবিদ্যালয় আৰু ক্ৰীড়া আন্তঃগাঁথনি বিকশাই তোলা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে বাজেটত তৰুণ শাখাৰ অধীনত মুদ্ৰা ঋণ লাভ কৰা আৰু সফলতাৰে পৰিশোধ কৰা উদ্যমীসকলৰ বাবে ঋণ ধনৰাশি বৰ্তমানৰ ১০ লাখ টকাৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰে। বাজেট দাখিল কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান চৰকাৰে ৫ বছৰত ১ কোটি যুৱক-যুৱতীক শীৰ্ষৰ ৫০০ টা কোম্পানীত ইণ্টাৰ্ণশ্বিপৰ সুযোগ প্ৰদানৰ উদ্দেশ্যে এখন সৰ্বাত্মক আঁচনি ৰূপায়ণ কৰিব। শ্ৰীমতী সীতাৰমনে কয় যে কেন্দ্ৰীয় চৰকাৰে দেশৰ পূব প্ৰান্তৰ উন্নয়নৰ বাবে উদ্যোগিক কৰিড'ৰ স্থাপনত সহায় আগবঢ়াব। চৰকাৰে ঘৰুৱা উৎপাদন আৰু গুৰুত্বপূৰ্ণ খনিজাত সামগ্ৰীৰ পুনৰ্ব্যৱহাৰ্যকৰণৰ বাবে গুৰুত্বপূৰ্ণ খনিজ অভিযান আৰম্ভ কৰিব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নগৰীয়া আবাস যোজনাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ১০ লাখ কোটি টকাৰে ১ কোটি দুখীয়া আৰু মধ্য বিত্ত শ্ৰেণীৰ পৰিয়ালৰ বাসগৃহৰ আৱশ্যকতা পূৰণ কৰা হ'ব। প্ৰধানমন্ত্ৰী গ্ৰামীণ চড়ক যোজনাৰ চতুৰ্থ পৰ্যায় শীঘ্ৰে আৰম্ভ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয় যে নাবালকসকলৰ অৰ্থনৈতিক সুৰক্ষাৰ বাবে 'এন পি এছ্ বাৎসল্য' আঁচনি আৰম্ভ কৰা হ'ব। বাজেটত বেংকিং সেৱাৰ সম্প্ৰসাৰণৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত ভাৰতীয় ডাক ধনাদায় বেংকৰ ১০০ ৰো অধিক শাখা স্থাপন কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। বিত্ত মন্ত্ৰীগৰাকীয়ে লগতে কৰ্কট ৰোগীসকলক সকাহ প্ৰদানৰ উদ্দেশ্যে আৰু তিনিবিধ ঔষধক সীমা শুল্কৰ আওতাৰ বাহিৰত ৰখাৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে সোণ-ৰূপৰ ওপৰত আৰোপিত সীমা শুল্ক ১৬ শতাংশলৈ আৰু হীৰাৰ ওপৰত আৰোপিত সীমা শুল্ক ৬ দশমিক ৪ শতাংশলৈ হ্ৰাস কৰাৰ কথা ঘোষণা কৰে। তেওঁ লগতে কেতবোৰ বিশেষ বিত্তীয় সম্পদৰ ক্ষেত্ৰত মূলধনী মুনাফাৰ ৰেহাইৰ সীমা বছৰি ১ লাখ ২৫ হাজাৰ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ দিয়ে। ব্যক্তিগত আয়কৰৰ ক্ষেত্ৰত বিত্তমন্ত্ৰীগৰাকীয়ে বাজেটত বিশেষ ঘোষণা কৰিছে। এই অনুসৰি ৩ লাখ টকা পৰ্যন্ত আয়ৰ ক্ষেত্ৰত কোনোধৰণৰ কৰ প্ৰযোজ্য নহ'ব। ৩ৰ পৰা ৭ লাখ টকা পৰ্যন্ত আয়কৰ ৫ শতাংশ, ৭ৰ পৰা ১০ লাখ টকা পৰ্যন্ত ১০ শতাংশ, ১০ৰ পৰা ১২ লাখলৈকে ১৫ শতাংশ, ১২ৰ পৰা ১৫ লাখলৈকে ২০ শতাংশ আৰু ১৫ লাখ টকাৰ ওপৰৰ আয়ৰ ক্ষেত্ৰত ৩০ শতাংশ হ'ব।

দেউলীয়া গোচৰৰ দ্ৰুত নিষ্পত্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ উদ্দেশ্যে ন্যায়াধীকৰণ সুদৃঢ় কৰাৰ বাবে দেউলীয়া আৰু ঋণ পৰিশোধৰ অক্ষমতা বিধিত প্ৰয়োজনীয় সাল-সলনি কৰা হ'ব। ১ কোটি পৰিয়ালক প্ৰতিমাহে ৩০০ ইউনিট বিনামূলীয়া বিদ্যুৎ যোগানৰ উদ্দেশ্যে মূধচত সৌৰ প্ৰকল্প স্থাপনৰ বাবে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনা আৰম্ভ কৰা হৈছে। এই আঁচনিখনে  ১ কোটি ২০ লাখৰো অধিক পঞ্জীয়ন আৰু ১৪ লাখ আবেদনৰ সৈতে বিপুল সঁহাৰি লাভ কৰিছে।

কেন্দ্ৰীয় বাজেট ২০২৪-২৫ত চৰকাৰে জনজাতি সম্প্ৰদায়ৰ আৰ্থ-সামাজিক অৱস্থা উন্নত কৰাৰ বাবে বিভিন্ন ব্যৱস্থা ঘোষণা কৰিছে। বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰিছে যে জনজাতীয় সংখ্যাগৰিষ্ঠ গাঁও আৰু জিলাসমূহত

চৰকাৰে ‘প্ৰধানমন্ত্ৰী জনজাতীয় উন্নত গ্ৰাম অভিযান’ আৰম্ভ কৰিব। ইয়াৰ দ্বাৰা ৫ কোটি জনজাতীয় লোক উপকৃত হ’ব আৰু ইয়াৰ দ্বাৰা ৬৩ হাজাৰ গাঁও সামৰি লোৱা হ’ব।

বিত্তমন্ত্ৰীয়ে গ্ৰাম্য আন্তঃগাঁথনিকে ধৰি গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে ২ দশমিক ৬ - ৬ লাখ কোটি টকাৰ প্ৰস্তাৱ বাজেটত দিয়া হৈছে।

অসম, বিহাৰ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড আৰু ছিকিমলৈ বান ব্যৱস্থাপনা প্ৰকল্পৰ সমৰ্থনত আৰ্থিক অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ দিয়া হয়। তেওঁ কয় যে, অসমত ব্ৰহ্মপুত্ৰৰ উপৰি অন্যান্য নৈ-উপনৈসমূহে সৃষ্টি কৰা বান পৰিস্থিতিৰ ব্যৱস্থাপনা আৰু আনুসংগিক প্ৰকল্পৰ বাবে সাহায্য প্ৰদান কৰা হ’ব। শেহতীয়াকৈ বান আৰু ভূমিস্খলনত ক্ষতিগ্ৰস্ত ছিকিমকো কেন্দ্ৰীয় চৰকাৰে সাহায্য প্ৰদান কৰিব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উত্থাপন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সদনত দাখিল হোৱা কেন্দ্ৰীয় বাজেটখনে সৰ্বাত্মক বিকাশ আৰু সমাজৰ বহুতো স্তৰৰ লোকক উপকৃত কৰি এখন বিকশিত ভাৰতৰ ভেটি নিৰ্মাণ কৰাটো সুনিশ্চিত কৰিব বুলি মন্তব্য কৰিছে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে কৰ্মসংস্থাপনৰ সৈতে জড়িত উদগনিমূলক আঁচনি ঘোষণা কৰিছে আৰু ইয়াৰ দ্বাৰা দেশত কোটি কোটি নতুন নিয়োগৰ সুবিধাৰ সৃষ্টি হ’ব। বাজেট সন্দৰ্ভত দিয়া এটা ভিডিঅ’ বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, বাজেটে নতুন সুযোগ, শক্তি, কৰ্মসংস্থাপন আৰু স্বাৱলম্বনৰ পথ প্ৰশস্ত কৰিব।

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই সন্দৰ্ভত কয় যে, সদনত আজি দাখিল হোৱা বাজেটে উন্নত আন্তঃগাঁথনি উদ্ভাৱন আৰু নতুন সংস্কাৰৰ দ্বাৰা সমাজৰ সকলো স্তৰৰ লোকক উপকৃত কৰিব পৰাকৈ উন্নত ভৱিষ্যতৰ বাবে পথৰ নিৰ্দেশনা দিব।

টি ডি পি নেতা আৰু কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কিঞ্জৰাপু ৰামমোহন নাইডুৱে বাজেটখনক প্ৰশংসা কৰি কয় যে, এই বাজেটত অন্ধ্ৰপ্ৰদেশৰ উন্নয়নৰ বাবে বিশেষ ঘোষণা কৰা হৈছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে বাজেটখনক সকলো নাগৰিকৰ বাবে সপোনৰ বাজেট বুলি অভিহিত কৰে। তেওঁ কয় যে, এই বাৰৰ বাজেটে সকলো স্তৰৰ লোকৰ বিকাশক লক্ষ্য হিচাপে লৈছে।

ইপিনে কংগ্ৰেছ দলে বাজেটখনক নিৰাশাজনক বুলি সমালোচনা কৰা বুলি এই বাজেটত মুদ্ৰাস্ফীতি আৰু নিবনুৱা সমস্যা হ্ৰাস কৰাৰ বাবে কোনো পদক্ষেপৰ কথা উল্লেখ কৰা হোৱা নাই বুলি প্ৰকাশ কৰিছে। বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে বাজেটখনক সমালোচনা কৰি কয় যে, বাজেটখনে চৰকাৰৰ দুৰ্বলতাকে প্ৰতিফলিত কৰিছে। বাজেটখনত কৃষক, মধ্যবিত্ত আৰু নিবনুৱাসকলৰ বাবে কোনো উল্লেখনীয় সুবিধা ৰখা নাই বুলি তেওঁ অভিযোগ তোলে।

দলৰ সাংসদ শশী ঠাৰুৰে বাজেট সন্দৰ্ভত কয় যে, বাজেটখনত এম জি এনৰেগা সন্দৰ্ভত কোনো কথা উল্লেখ কৰা হোৱা নাই। অৱশ্যে তেওঁ এই বাজেটত এঞ্জেল কৰ বিলোপ কৰাৰ সিদ্ধান্তক আদৰণি জনায়। সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেখ যাদৱে বাজেটখনক সমালোচনা কৰি কয় যে, এই বাজেটত কৰ্মসংস্থাপন সৃষ্টি আৰু কৃষকৰ বাবে কোনো ধৰণৰ উল্লেখযোগ্য পদক্ষেপৰ কথা কোৱা হোৱা নাই। শিৱসেনাৰ মুৰব্বী প্ৰিয়ংকা চতুৰ্বেদীয়ে বাজেটখনত মহাৰাষ্ট্ৰৰ বাবে উল্লেখনীয় পদক্ষেপ ঘোষণা কৰা হোৱা নাই বুলি সমালোচনা কৰে।

০০০০০

যশস্বী সংগীত পৰিচালক ৰমেন বৰুৱাৰ সন্ধান বিচাৰি মহানগৰ আৰক্ষীয়ে ভিন্ন প্ৰান্তত অভিযান অব্যাহত ৰাখিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পিছফালৰ ব্ৰহ্মপুত্ৰ নৈত এছ ডি আৰ এফ আৰু এন ডি আৰ এফ বাহিনীয়ে শ্ৰীবৰুৱাৰ সন্ধানত অভিযান চলায়। অৱশ্যে এইপৰ্যন্ত সংগীত পৰিচালকগৰাকীৰ শুংসূত্ৰ ওলোৱা নাই। উল্লেখযোগ্য যে কালিৰ পৰাই বিশিষ্ট সংগীত পৰিচালকগৰাকী সন্ধানহীন হৈ আছে। ২৪ ঘণ্টা উকলি যোৱাৰ পাছতো বৰুৱাৰ সন্ধান নোলোৱাক লৈ আত্মীয়-স্বজনৰ লগতে শুভাকাংক্ষীসকল উদ্বিগ্ন হৈ পৰিছে।

০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি নগাঁৱত উপস্থিত হৈ জিলাখনৰ বান পৰিস্থিতিৰ বুজ লয়। জিলাখনৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে আজি জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো অংশ লয়। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে, শীঘ্ৰে বানত ক্ষতিগ্ৰস্তসকলকো সাহায্য প্ৰদান কৰা হ'ব। তেওঁ কয় যে জিলাখনৰ চাৰি লাখ লোক আৰু ৪৫০ টা বাসগৃহ এই বানত ক্ষতিগ্ৰস্ত হৈছে। বাৰিষাৰ পাছতে জিলাখনৰ কামপুৰৰ চাংচকীত উন্নত প্ৰযুক্তিৰে মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। তদুপৰি প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত পৰৱৰ্তী সময়ত জিলাখনত ৬০ হাজাৰ গৃহ নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে নগাঁও পৌৰসভাৰ অন্তৰ্গত ৰত্নকান্ত বৰকাকতি হাইস্কুলৰ বান শিবিৰত আশ্ৰয় লৈ থকা লোকসকলৰ অভাব-অভিযোগৰ বুজ লয়।

০০০০০

অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰি গোচৰত দোষী সাব্যস্ত হোৱা ৰাকেশ পালসহ ৩২ জন অভিযুক্তই লাভ কৰিবলগীয়া শাস্তি সন্দৰ্ভত বিশেষ ন্যায়াধীশৰ আদালতে অহা ২৯ জুলাইত ৰায়দান কৰিব। বিশেষ আদালতে কালি কেলেংকাৰিৰ গোচৰত লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ পাল, দুই সদস্য আৰু ২৯ জন কৃষি উন্নয়ন বিষয়াক দোষী সাব্যস্ত কৰিছিল। ইয়াৰ পাছতে আজি আদালতত দোষী প্ৰমাণিত হোৱা সকলৰ শাস্তি সন্দৰ্ভত শুনানি অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ হৈ এই শুনানিত প্ৰতিনিধিত্ব কৰা অধিবক্তাই সমাজৰ স্বাৰ্থত আৰু সংঘটিত অপৰাধৰ প্ৰতি লক্ষ্য ৰাখি অভিযুক্তকেইজনক সৰ্বোচ্চ শাস্তি বিহিবলৈ আদালতক আহ্বান জনায়।

০০০০০

জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজি শিৱসাগৰত ডায়েৰিয়া নিৰ্মূল অভিযান-২০২৪ আৰম্ভ হৈছে। জিলাখনত দুমাহ ধৰি চলিব লগা এই অভিযানৰ জৰিয়তে ডায়েৰিয়া নিৰ্মূল কৰাৰ বাবে ব্যাপক ৰূপত কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। এই কাৰ্যসূচীৰ অধীনত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে হাত ধুৱা, অ আৰ এছ খাবলৈ পৰামৰ্শ দিয়াৰ লগতে জিলাখনত অ আৰ এছ কৰ্ণাৰ স্থাপন কৰা হ'ব।

০০০০০

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত আজি ভাৰত নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শ্ৰীলংকাৰ ডাম্বুলা ষ্টেডিয়ামত সন্ধিয়া ৭ বজাৰ পৰা এই খেলখন অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বৰ এখন খেলত ভাৰতীয় দলটোৱে পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০

রাজ্যত বান পৰিস্থিতি উন্নত হৈছে যদিও কেইবাটাও প্ৰান্ত খহনীয়া অব্যাহত আছে। বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ৰৌমাৰী পাথাৰগাঁৱত খহনীয়াত কেইটাবাও ঘৰ জাহ গৈছে। আনহাতে শিৱসাগৰ জিলাৰ আমগুৰিৰ নামতি নৈৰ মথাউৰি খহনীয়া কবলত পৰিছে। যাৰ ফলত কাষৰীয়া প্ৰায় ১০ খন গাঁৱলৈ ভাবুকি কঢ়িয়াই আনিছে। গোৱালপাৰা জিলাৰ বেলডুবি গাঁও পঞ্চায়তৰ পুঠিয়া, মাদকনাতো ব্ৰহ্মপুত্ৰ নৈৰ খহনীয়া অব্যাহত আছে। বিগত সপ্তাহত ৩০টাকৈ পৰিয়ালৰ বাসগৃহৰ লগতে কৃষিভূমি খহনীয়াত জাহ গৈছে।  খহনীয়াৰ বাবে নিজৰ ঘৰ এৰি ক্ষতিগ্ৰস্ত লোকসকলে অন্য স্থানলৈ ঢাপলি মেলিছে।

০০০০০

অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় সংস্কৰণত তিনিচুকীয়া জিলাত অহা ১ আগষ্টৰ পৰা ১৫ আগষ্টৰ ভিতৰত ১১ লাখ ৫০ হাজাৰ গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। জিলাখনত গছপুলি বিতৰণ প্ৰক্ৰিয়া ৫ আগষ্টৰ ভিতৰত সম্পন্ন কৰি ১০ আগষ্টৰ ভিতৰত ৰোপণ আৰু জিঅ' টেগিং প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব বুলি আয়ুক্ত স্বপ্নীল পালে প্ৰকাশ কৰিছে। গ্ৰামীণ জীৱিকা অভিযানৰ এক লাখৰো অধিৰ স্বেচ্ছাসেৱীৰ উপৰি জিলাখনৰ সকলো অংগনবাড়ী কৰ্মী, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, আৰক্ষী, সামৰিক বাহিনীৰ জোৱানকো এই কাৰ্যত জড়িত কৰোৱা হ'ব। জিলাখনৰ ১২২ খন চাহ বাগিচাত শ্ৰমিক-কৰ্মচাৰীৰ সহযোগত ডেৰ লাখ গছপুলি ৰোপণৰ সিদ্ধান্ত লোৱা হৈছে। বন বিভাগৰ দ্বাৰা প্ৰতিখন গাঁৱলৈ অহা ৫ আগষ্টৰ ভিতৰত গছপুলিসমূহ প্ৰেৰণ কৰা হ'ব। প্ৰতিটো উন্নয়ন খণ্ডত অন্ততঃ একোখনলৈ অমৃত অৰণ্য নিৰ্মাণ কৰা হ'ব জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিছে।

ইপিনে গোৱালপাৰা জিলাৰ বন বিভাগে এইবেলি ৩১ লাখ ৩ হাজাৰ গছপুলি ৰোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ইয়াৰে ৭ লাখ ৬৪ হাজাৰ গছপুলি গোৱালপাৰাত ৰোপণ কৰা হ'ব। বাকী গছপুলিসমূহ দক্ষিণ শালমাৰা, দৰং আৰু কামৰূপ গ্ৰাম্য জিলাত যোগান ধৰা হ'ব।

০০০০০

চৰাইদেউ মৈদাম ক্ষেত্ৰই ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰই স্বীকৃতি লাভ কৰাটো প্ৰায় নিশ্চিত হৈ পৰিছে। ২১ জুলাইৰ পৰা নতুন দিল্লীত অনুষ্ঠিত ইউনেস্কোৰ ৪৬ সংখ্যক অধিৱেশনৰ যিকোনো এটা দিনত এই স্বীকৃতি ঘোষণাৰ সম্ভাৱনা আছে। ৩১ জুলাইলৈকে হ'বলগীয়া এই অধিৱেশনত ভাৰতকে ধৰি ১৫০ খন দেশে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে চৰাইদেউৰ মৈদাম ক্ষেত্ৰক ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে সকলো পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০

শ্বিলঙৰ নিযুক্তি কাৰ্যালয়ে আজিৰ পৰা অহা ২৭ জুলাইলৈ শোণিতপুৰৰ মিছামাৰী সেনা ছাউনিত অসমৰ কেইবাখনো জিলাৰ নিৰ্বাচিত প্ৰাৰ্থীৰ বাবে অগ্নিবীৰ নিযুক্তি সমাৰেশৰ আয়োজন কৰিছে।  যোৱা এপ্ৰিল-মে' মাহত দেশজুৰি অনুষ্ঠিত প্ৰৱেশ পৰীক্ষাত  শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁও জিলাৰ উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই নিযুক্তি সমাৰেশৰ আয়োজন কৰা হয়। জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই আজি যশৱন্ত ষ্টেডিয়ামত উপস্থিত হৈ প্ৰাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে, নিযুক্তি সমাৰেশৰ সময়ত প্ৰায় এহেজাৰ ১০০ গৰাকী

নিৰ্বাচিত অগ্নিবীৰ প্ৰাৰ্থীয়ে কঠিন বাচনি পৰীক্ষাৰ মাজেৰে পাৰ হ'ব লাগিব। প্ৰাৰ্থীসকলে শাৰীৰিক সক্ষমতা আৰু স্বাস্থ্য পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব।

ooooo

সমাপ্ত